যোৰহাট মহাবিদ্যালয়ত নৱাগত আদৰণী সভা সম্পন্ন

যোৰহাট, ২২ আগষ্ট ঃ যোৰহাট মহাবিদ্যালয়ত আজি ছাত্র একতা সভাৰ উদ্যোগত অনাড়ম্বৰভাৱে নৱাগত আদৰণি সভা-২০২৬ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ এক ঐতিহাসিক সিদ্ধান্তৰ ফলশ্রুতিত, বানপীড়িত ৰাইজৰ প্রতি সমমর্মিতা প্রদর্শন কৰি নৱাগত আদৰণি সভাত সীমিত সাংস্কৃতিক কার্যসূচী পৰিৱেশন কৰা হয়। নৱাগত আদৰণি সভাৰ অংশ হিচাপে পুৱা শ্রেষ্ঠ নৱাগত প্রতিযোগিতা অনুষ্ঠিত হয়। দিনৰ ১২ বজাৰ পৰা ১ বজালৈ মহাবিদ্যালয়ৰ প্রতিটো বিভাগৰ ছাত্র-ছাত্রীসকলৰ অংশগ্রহণেৰে এক আকর্ষণীয় দলীয় নৃত্য প্রদর্শন অনুষ্ঠান অনুষ্ঠিত হয়। দুপৰীয়া ১ বজাৰ পৰা মহাবিদ্যালয়ৰ প্রেক্ষাগৃহত মুকলি সভা অনুষ্ঠিত হয়। ছাত্র একতা সভাৰ সভাপতিৰ উপদেষ্টা ড° মৌচুমী মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত আদৰণী ভাষণ প্রদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্র পূজাৰীয়ে। ইয়াৰোপৰি উপাধ্যক্ষ উৎপল দত্তই বক্তব্য প্রদান কৰাৰ লগতে এটি আধুনিক গীত আৰু বিহু গীত পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রী আৰু ছাত্র-ছাত্রীৰ দ্বাৰা পৰিৱেশিত মহাবিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা সভাখনত মুখ্য অতিথি হিচাপে যোৰহাট সদৰ থানাৰ ভাৰপ্রাপ্ত বিষয়া হৃষীকেশ হাজৰিকাই ভাষণ দিয়ে। ভাষণ প্রসংগত আৰক্ষী বিষয়াজনে ছাত্র-ছাত্রীসকলক উদ্দেশ্যি কেইবাটাও গুৰুত্বপূর্ণ বার্তা



নৱাগত আদৰণি সভাৰ এটা মুহূর্ত

প্রদান কৰে। তেওঁ কয় যে ছাত্র-ছাত্রীসকলে নিজকে বিচাৰি পোৱাৰ বাবে এয়া এক উপযুক্ত সময়। এইখন পথাৰত নিজকে প্রতিষ্ঠা কৰিবলৈ তেওঁলোকে বিভিন্ন সুবিধা লাভ কৰিব পাৰে। তেওঁ লগতে কয় যে জেন জি-ৰ আদর্শ সদায় ইতিবাচক হোৱাটো জৰুৰী। সুন্দৰ যুৱ সমাজৰ বাবে মানসিকতাও সুন্দৰ হোৱা প্রয়োজনীয়। যোৰহাট মহাবিদ্যালয়ৰ বাকৰিত সকলো ছাত্র-ছাত্রীৰ ব্যক্তিত্বৰ বিকাশ হ'ব বুলি আশা প্রকাশ কৰি তেওঁ কয় যে পংকিলতাৰে ভৰা বর্তমানৰ সময়ছোৱাত এক সুন্দৰ বাতাবৰণ সৃষ্টি কৰিবলৈ হ'লে ইজনে সিজনক চিনি পোৱাটো অতি প্রয়োজনীয়। সভাত ড° মৌচুমী মহন্তয়ো ভাষণ দিয়ে। সাধাৰণ সম্পাদকৰ উপদেষ্টা স্বপ্নাজ্যোতি বৰাৰ নেতৃত্বত আয়োজিত এই সফল অনুষ্ঠানটিয়ে মহাবিদ্যালয়ৰ নৱাগত ছাত্র-ছাত্রীসকলৰ মনত নতুন প্রেৰণা যোগায়।